# বতাহ ধুমুহা আৰু ঘূৰ্ণীবতাহ

**পাঠ: ৮**

## অনুশীলনী

**প্ৰশ্ন১: খালী ঠাই পূৰ কৰা ।**

**( a ) বতাহ হ'ল …………বায়ু ।**

**( b ) পৃষ্ঠৰ …………তাপৰ বাবে বতাহৰ সৃষ্টি হয় ।**

**( c ) ভূ – পৃষ্ঠৰ ওচৰৰ …………..বায়ু ওপৰলৈ উঠে আৰু তুলনামূলকভাবে ……………. তললৈ নামে ।**

**( d ) বায়ু ……….চাপ , অঞ্চলৰ পৰা ………….চাপ অঞ্চললৈ গতি কৰে ।**

উত্তৰঃ ( a ) বতাহ হ'ল **গতিশীল** বায়ু ।

উত্তৰঃ ( b ) পৃষ্ঠৰ **অসমতুলিত** তাপৰ বাবে বতাহৰ সৃষ্টি হয় ।

উত্তৰঃ ( c ) ভূ – পৃষ্ঠৰ ওচৰৰ **উষ্ণ** বায়ু ওপৰলৈ উঠে আৰু তুলনামূলকভাবে **শীতল** তললৈ নামে ।

উত্তৰঃ ( d ) বায়ু **উচ্চ** চাপ , অঞ্চলৰ পৰা **নিম্ন** চাপ অঞ্চললৈ গতি কৰে ।

**প্ৰশ্ন২: এখন ঠাইৰ বতাহৰ দিশ নিৰ্ণয় কৰিব পৰা দুটা পদ্ধতিৰ আভাস দিয়া ।**

উত্তৰঃ কোনা৾ এখন ঠাইৰ বতহাৰ দিশ নিৰ্ণয় কৰিব পৰা দুটা পদ্ধতি হল—

( i ) যদি আমি'এমুঠি ধূলি ওপৰৰ পৰা এৰি দিওঁ ধূলিখিনি যি দিশে যায় , সেইদিশে বতাহ বলা বুলি ঠিৰাং কৰিব পাৰি ।

( ii ) বায়ু চকৰি বা বায়ু ঘড়ী সাজি তাৰ ঘূৰণৰ দিশ চাই বায়ু কোন দিশৰ পৰা বলিছে তাক নিৰ্ণয় কৰিব পাৰি ।

**প্ৰশ্ন৩: বায়ুয়ে যে চাপ দিয়ে তাৰ অভিজ্ঞতাৰ বিষয়ে লিখা। ( পাঠ্যপুথিত থকা নথকা )**

উত্তৰঃ বায়ুয়ে চাপ দিয়ে। ইয়াক তলৰ দুটা অভিজ্ঞতাৰে উপলব্ধি কৰিব পাৰি।

**অভিজ্ঞতা ১:-** বেলুন এটা ফুৱাই দিলে ই ফুলি উঠে। বেছিকৈ ফুলালে ই ফাটি যায়। বায়ুৱে দিয়া চাপৰ বাবে বেলুনটো ফাটি যায়।

**অভিজ্ঞতা ২:-** পানীপূৰ্ণ গিলাছ এটাত কাগজ বা প্লেট এখন ঢাকি দিলে , ওলাােটাই দিলে কাগজখন বা প্লেটখন তললৈ সৰি নপৰে। প্লেটখনৰ ওপৰত বায়ুৱে দিয়া চাপৰ বাবে প্লেটখন সৰি পৰে।

**প্ৰশ্ন৪: তুমি এটা ঘৰ কিনিব বিচাৰিছা। তুমি কেৱল খিৰিকি থকা কিন্তু ভেন্টিলেটৰ নথকা ঘৰ এটা পাইছা। পছন্দ কৰিবনে ? বাখ্যা কৰা।**

উত্তৰঃ এখন খিৰিকী থকা , কিন্তু ভেন্টিলেটৰ নথকা ঘৰটো কিনাৰ বাবে পছন্দ কৰা নহয়। গৰমৰ দিনত বায়ু গৰম হৈ পাতল হয় , পাতল বায়ু লগে লগে ওপৰলৈ উঠে। ওপৰৰ ভেন্টিলেটৰ থাকিলেহে এই গৰম বায়ু ভেন্টিলেটৰেৰে বাহিৰলৈ ওলাই যায়। তেতিয়া বাহিৰৰ পৰা ঠাণ্ডা বতাহ ৰুমৰ ভিতৰত সাােমাই ৰুমটো শীতল হৈ থাকে। যদি ভেন্টিলেটৰ নাথাকে এই গৰম বায়ু বাহিৰ ওলাই যাব নাােৱাৰে। গতিকে ৰুমৰ ভিতৰলৈ বাহিৰৰ ঠাণ্ডা বতাহ সাােমাই নায়ায়। গতিকে গ্ৰীষ্মকালত সেই ঘৰটো বাসপাােযাােগী নহ’ব। গতিকে ঘৰটো নিকিনাই শ্ৰেয়।

**প্ৰশ্ন৫: আৰি দিয়া বেনাৰ আৰু হ’ৰ্ডিংবাােৰত কিয় ফুটা কৰি দিয়া হয় ?**

উত্তৰঃ বায়ুয়ে চাপ দিয়ে। যদি আৰি থাােৱা বেনাৰ আৰু হ’ৰ্ডিংবাােৰত ফুটা কৰি দিয়া নহয় , তেতিয়া বায়ুৰ হেচাত এইবাােৰ ফালি চিৰি যাব। ফুটা কৰি দিলে সেই ফুটাৰে বায়ুই গতি কৰিব আৰু এইবাােৰ নষ্ট হৈ নায়ায়।

**প্ৰশ্ন৬: তুমি কিদৰে তাােমাৰ প্ৰতিবেশীক তাােমাৰ গাঁও বা নগৰলৈ আহি থকা ৰ্ণীবতাহৰ পৰা ৰক্ষা পাবলৈ সহায় কৰিবা ?**

উত্তৰঃ আহি থকা ঘূৰ্ণীবতাহৰ পৰা প্ৰতিবেশীক ৰক্ষা কৰিবলৈ তলৰ ব্যৱস্থাসমূহ হাতত ল’ব পাৰি—

( ক ) অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰী , পােহনীয়া প্ৰাণী , গাড়ী – মটৰ , খাদ্য আদি নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিব লাগিব ।

( খ ) ওচৰৰ অগ্নিনিৰ্বাপক বাহিনী , আৰক্ষী চকী , হস্পিতাল আদিৰ ফোন নম্বৰ যাোগাৰ কৰি থাোৱা ।

( গ ) দূষিত পানী খাব নিদি বিশুদ্ধ খাোৱা পানী সঞ্চিত কৰি ৰখা ।

( ঘ ) তিতা হাতে বিদ্যুতৰ চুইছ স্পৰ্শ নকৰিবলৈ কোৱা , যান-বাহন আদি পানীৰ কাষেদি চলাই নিয়াত বাধা দিয়া ।

**প্ৰশ্ন৭: ঘূৰ্ণীবতাহে সৃষ্টি কৰা অৱস্থাৰ মুখামুখী হ’বলৈ আগতীয়াকৈ কি ধৰণৰ আঁচনি কৰিব পাৰি ?**

উত্তৰঃ **চৰকাৰী বিভাগৰ ফালৰ পৰা –**

( i ) এই ক্ষেত্ৰত স্থাপন হাোৱা চৰকাৰী বিভাগবাোৰক সঘনাই যাোগাযাোগৰ দ্বাৰা সজাগ । কৰি থাোৱা ।

( ii ) মাছমৰীয়া , জাহাজ বা নৌকাৰে পাৰ হাোৱা যাত্ৰীবাোৰক সতৰ্ক কৰি দিয়া ।

( iii ) ঘূৰ্ণীবতাহৰ বাবে স্পৰ্শকাতৰ ঠাইসমূহৰ বাসিন্দাসকলৰ বাবে আগতীয়াকৈ আশ্ৰয় শিবিৰ স্থাপন কৰি থাোৱা ।.

**ৰাইজৰ তৰফৰ পৰা –**

( i ) অত্যাৱশ্যকীয় চৰকাৰী সেৱা , আৰক্ষী চকী , অগ্নিনিৰ্বাপক বাহিনী , হস্পিতেল আদিৰ ফোন নম্বৰ মজুত ৰখা ।

( ii ) ঘৰচীয়া প্ৰাণী , অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰী , যান-বাহন , চাকি লেম্প , কাপাোৰকানি আদি নিবাপদ ঠাইলৈ স্থানান্তৰ কৰি থাোৱা ।

( iii ) বিশুদ্ধ খাোৱা পানী , খাদ্য আৰু কাপাোৰকানি জমা কৰি থাোৱা ।

**প্ৰশ্ন৮: তলৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা :**

**তলৰ কোনখন ঠাই ঘূৰ্ণীবতাহৰ দ্বাৰা প্ৰভাবান্বিত হোৱাৰ সম্ভাবনা কম ?**

**( a ) চেন্নাই**

**( b ) বাংগালুৰু**

**( c ) অম্ৰিতচৰ**

**( d ) পুৰী**

উত্তৰঃ ( c ) অম্ৰিতচৰ ।

**প্ৰশ্ন৯: তলত দিয়া কোনটো উক্তি শুদ্ধ ?**

**( a ) শীতকালত বতাহ স্থলৰ পৰা সাগৰলৈ বলে ।**

**( b ) গ্ৰীষ্মকালত বতাহ স্থলভাগৰ পৰা সাগৰৰ ফালে বলে ।**

**( c ) ঘূৰ্ণীবতাহ কোনো ঠাইত প্ৰচণ্ড উচ্চ চাপৰ সৃষ্টি হোৱাৰ ফলত তাৰ চাৰিওফালে বলা প্ৰচণ্ড দ্ৰুতিৰ বতাহ ।**

**( d ) ভাৰতৰ সাগৰৰ উপকূলীয় অঞ্চল ঘূৰ্ণীবতাহৰ বাবে স্পৰ্শকাতৰ নহয় ।**

উত্তৰঃ ( a ) শীতকালত বতাহ স্থলৰ পৰা সাগৰলৈ বলে ।